**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

পবিতৰা অভয়াৰণ্য আজি পুনৰ পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বাৰিষাৰ বাবে বন্ধ হৈ থকা অভয়াৰণ্যখনত বানৰ ফলত হোৱা আন্তঃগাঁথনিৰ ক্ষতি ইতিমধ্যে মেৰামতি কৰা হৈছে বুলি অভয়াৰণ্যখনৰ মাণ্ডলিক বিষয়া প্ৰাঞ্জল বৰুৱাই প্ৰকাশ কৰিছে। তেওঁ কয় যে অভয়াৰণ্যখন মুকলি কৰাৰ লগে লগে পৰ্যটকসকলে জীপ আৰু হাতী চাফাৰি কৰিব পাৰিব। উল্লেখযোগ্য যে ১৯৯৮ চনত পবিতৰা সংৰক্ষিত বনাঞ্চল আৰু ৰজামায়ং পাহাৰ সংৰক্ষিত বনাঞ্চলৰ একত্ৰীকৰণ কৰি পবিতৰা অভয়াৰণ্যখন গঠন কৰা হৈছিল। বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখনৰ দ্বাৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখযোগ্য যে ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বাহ লোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে। উদ্যানখনত ২০২২ চনত কৰা পিয়ল অনুসৰি ২২টা প্ৰজাতিৰ স্তন্যপায়ী প্ৰাণী, ২৭টা প্ৰজাতিৰ সৰীসৃপ, ৯টা উভচৰ প্ৰজাতিৰ প্ৰাণী, ৪১বিধ মাছ আৰু ৩৭৫টা প্ৰজাতিৰ চৰাই আছে। গঁড়ৰ উপৰি অভয়াৰণ্যখনৰ ঘাঁহনি, অৰণ্য আৰু জলাশয়ত নাহৰ ফুটুকী, বনৰীয়া ম'হ, বনৰীয়া গাহৰি আৰু হৰিণৰ কেইবাটাও প্ৰজাতি পোৱা যায়।

oooooo

ডিব্ৰুগড়ৰ মিলন জ্যোতি সংঘৰ উদ্যোগত আৰু অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অহা ১২ৰ পৰা ২২ ডিচেম্বৰলৈ চৌকিদিঙী খেল পথাৰত চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। এই গ্ৰন্থমেলা সুকলমে পৰিচালনাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা আৰু জিলাখনৰ আয়ুক্ত বিক্ৰম কৈৰীক লৈ এখন সমিতি গঠন কৰা হৈছে। ৰাজ্যৰ আগশাৰীৰ পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উপৰি কলকাতা, দিল্লী আৰু বাংগালুৰুৰ আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে গ্ৰন্থমেলাত যোগদান নিশ্চিত কৰিছে।

oooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি মৰিগাঁও জিলাৰ জাগীৰোডৰ ডাবৰঘাট প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। তেওঁ লগতে তিৱা ভাষাৰ পাঠ্যপুথিসমূহো উন্মোচন কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ অধীনত প্ৰাথমিক বিদ্যালয়সমূহত বিভিন্ন ভাষাত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি প্ৰাৰম্ভিক পৰ্যায়ত ৰাজ্যৰ ৬২ খন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাৰ শিক্ষা আৰম্ভ হ'ব। কিছু সংখ্যক বিদ্যালয়ত ইতিমধ্যে তিৱা ভাষাৰ শিক্ষক নিযুক্তি দিয়া হৈছে। বাকী থকা বিদ্যালয়সমূহতো পৰ্যায়ক্ৰমে ভাষা শিক্ষক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই উদ্যোগে অসমৰ জনজাতীয় অঞ্চলসমূহত মাতৃভাষাৰ মাধ্যমত প্ৰাথমিক শিক্ষাৰ এটা যুগৰ সূচনা কৰিছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে।

oooooo

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰয়াত পদাধিকাৰ, বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়াৰ স্মৃতিত তিতাবৰত নিৰ্মাণ কৰিবলগীয়া এটা প্ৰকল্পৰ বাবে ৰাজ্য চৰকাৰে ৫০ লাখ টকাৰ প্ৰাথমিক অনুদান মুকলি কৰি দিছে। সৰ্বমুঠ প্ৰায় ২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটোত এটা বিজ্ঞান সংগ্ৰহালয়, এখন শিশু উদ্যান, শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ এটা তথ্যচিত্ৰ গৃহ, দুই সহস্ৰাধিক লোকৰ আসনযুক্ত এটা সভাগৃহৰ দৰে সুবিধা উপলব্ধ হ'ব।

অহা ২৬ অক্টোবৰত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আধাৰশিলা স্থাপনেৰে প্ৰকল্পটোৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰিব। ১২ বিঘা মাটিত নিৰ্মাণ কৰিবলগীয়া প্ৰকল্পটো শংকৰদেৱ সংঘৰ তিতাবৰ জিলা শাখাৰ নামঘৰৰ সংলগ্নকৈ নিৰ্মাণ কৰা হ'ব।

০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ ফটিকাচোৰা অভয়পুৰীয়া মজলীয়া বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। স্থানীয় বিধায়ক তথা মন্ত্ৰী বিমল বৰাই বিদ্যালয়খনৰ নৱনিৰ্মিত স্থায়ী বেৰ উদ্বোধন কৰে। কালি দুপৰীয়াৰ ভাগত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহ অনুষ্ঠিত হয়। আজি সাংস্কৃতিক শোভাযাত্ৰা, বিশেষ সম্বৰ্ধনা অনুষ্ঠান আৰু মুকলি সভাৰ আয়োজন কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫-ৰ পুৰস্কাৰসমূহ অহা ৩১ অক্টোবৰৰ বিয়লি ২ বজাত আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী গুৱাহাটীৰ অসম জাতীয় বিদালয়ৰ নিষ্ঠা বৰগোহাঁই, দ্বিতীয় পুৰস্কাৰ বিজয়ী গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দিব্যা আত্ৰেয়, তৃতীয় পুৰস্কাৰ বিজয়ী যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অন্বেষা ফুকন আৰু কটন বিশ্ববিদ্যালয়ৰ ৰোহিত গাওঁখোৱাক তেওঁলোকৰ অভিভাৱকসহ এই বঁটা প্ৰদান অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণী পত্ৰ ইতিমধ্যে ৱাটছএপযোগে প্ৰেৰণ কৰা হৈছে। বিজয়ী প্ৰতিযোগীক একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট প্ৰদান কৰা হ'ব।

০০০০০০

সমাপ্ত